# 2017

## ELECTIVE ASSAMESE

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়া : ১×৭=৭

(ক) বিহুগীত আৰু বিহুনামৰ মাজৰ এটি পাৰ্থক্য উল্লেখ কৰা।

(খ) 'কমলা কুঁৱৰীৰ গীত' লোক-সাহিত্যৰ কোন শ্ৰেণীত পৰে?

(গ) 'সাত্যকি প্ৰৱেশ' কোন কবিৰ ৰচনা?

(ঘ) বৈষ্ণৱসকল কাৰ উপাসক?

(ঙ) বৈষ্ণৱসকলে ব্যৱহাৰ কৰা কৃত্ৰিম সাহিত্যিক ভাষাটোৰ নাম কি?

(চ) ব্ৰাহ্মীলিপিৰ নাম কিয় ব্ৰাহ্মী ৰখা হৈছে?

(ছ) অসমীয়া প্ৰাচীনতম লিপিখনৰ নাম কি?

২। চমু টোকা লিখা (যি কোনো চাৰিটা) : ২×৪=৮

(ক) লোক-জীৱন

(খ) চৰ্য্যাগীতিকোষবৃত্তি

(গ) ৰাজসূয় কাব্য

(ঘ) শূন্য-পুৰাণ

(ঙ) খৰোষ্ঠী লিপি

(চ) ভাৱাইয়া

৩। চমু উত্তৰ দিয়া (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) লোক-নাট্য বুলিলে কি বুজা?

(খ) 'প্ৰহ্লাদ-চৰিত'ৰ বিষয়বস্তু কি?

(গ) আলৱাৰসকলৰ বৈষ্ণৱ ভক্তিবাদ সম্পৰ্কে আলোচনা কৰা।

(ঘ) 'যক্ষগান' আৰু 'ভাৰীগান'ৰ বিষয়ে এটি টোকা লিখা।

(ঙ) নগাজৰী খনিকৰ গাঁও প্ৰস্তৰখণ্ড লিপিৰ বিষয়ে এটি চমু আলোচনা আগবঢ়োৱা।

৪। (ক) অসমীয়া লোক-সাহিত্যৰ মূল বিষয়বস্তু কি? লোক-সাহিত্যক প্ৰকৃত সাহিত্যৰ অন্তৰ্ভুক্ত কৰিব পাৰি নে নোৱাৰি, আলোচনা কৰা। ১০

*অথবা*

(খ) 'বভ্ৰুবাহনৰ যুদ্ধ' আৰু 'তাম্ৰধ্বজৰ যুদ্ধ' কাব্যত ভক্তিৰস কিদৰে নিঃসৃত হৈছে, আলোচনা কৰা।

৫। (ক) " 'থলুৱা, দেশী আৰু সংস্কৃত' এই ত্ৰিধাৰাৰ সংমিশ্ৰণত অংকীয়া নাটৰ জন্ম।" আলোচনা কৰা। ১০

*অথবা*

(খ) নৱ-বৈষ্ণৱধৰ্মৰ আলোকত ভক্তিধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰ সম্পৰ্কে আলোচনা কৰা।

৬। (ক) অংকীয়া নাটৰ কলা-কৌশল সম্পৰ্কত এটি আলোচনা আগবঢ়োৱা। ১০

*অথবা*

(খ) চমু টোকা লিখা (যি কোনো দুটা) : ৫×২=১০

ফুল কোঁৱৰৰ গীত; শ্ৰীকৃষ্ণকীৰ্ত্তন; অংকীয়া নাটত মুখাৰ ব্যৱহাৰ; পেৰা কাকতৰ গদ্য; কায়থেলি লিপি।

★★★